# সপ্তম শ্ৰেণী (অসমীয়া)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
| --- | --- |
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগতশিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ পৰস্পৰৰ মাজত আৰু দলগতভাৱে নিজৰ মান্যভাষাত কথোপকথন কৰিবলৈ উৎসাহ দিব। বিশেষকৈ কিতাপ সম্বন্ধীয় কথোপকথনত গুৰুত্ব দিব।<br>■ প্ৰথম ভাষা (অসমীয়া) শিকাৰ লগে লগে দ্বিতীয় ভাষাৰ পঠন সামগ্ৰী পঢ়া আৰু লিখা আৰু সেই বিষয়ে আলোচনা কৰাৰ স্বাধীনতা দিয়াৰ সুবিধা দিব।<br>■ ছাত্ৰ-ছাত্ৰীক নিজৰ মত প্ৰকাশ কৰা আৰু প্ৰশ্ন সোধাৰ স্বাধীনতা প্ৰদান কৰিব।<br>■ ছাত্ৰ-ছাত্ৰীসকলক বিশ্বায়নৰ গতিধাৰাৰ লগত পৰিচয় কৰাই দিবৰ বাবে তথ্যভিত্তিক পঠনৰ ওপৰত গুৰুত্ব দিব। শ্ৰেণীকক্ষত বিভিন্ন তথ্যভিত্তিক লেখা, যেনে— বাতৰি-কাকত, এখন ৰেলৰ সময়সূচী, বিজ্ঞাপন, আলোচনীৰ প্ৰবন্ধ আদি পঠনৰ সুবিধা দিব। তথ্য সংগ্ৰহ কৰি প্ৰতিবেদন লিখাৰ বাবে ছাত্ৰ-ছাত্ৰীক সুবিধা দিব।<br>■ নিজৰ পৰিবেশ, সমসাময়িক সমাজৰ লগত জড়িত ৰচনাবোৰ পঢ়িবলৈ আৰু আলোচনা কৰিবলৈ সুবিধা দিব।<br>■ ছাত্ৰ-ছাত্ৰীৰ মাজত সক্ৰিয়তা আৰু সজাগতা আনিবৰ বাবে বয়সৰ লগত খাপখুৱাই বিভিন্ন ৰচনা সম্ভাৰ, বাতৰি-কাকত (শিশুচ'ৰা), শিশু আলোচনী আদি পঢ়াৰ | **ছাত্ৰ-ছাত্ৰীয়ে ভাষাৰ মান্যৰূপৰ কথনভংগী আয়ত্ব কৰিব পাৰিব।**<br>■ মান্যভাষাত আয়ত্ব কৰা নতুন শব্দ, জতুৱা ঠাঁচ, ফকৰা-যোজনা আদি শুদ্ধ ৰূপত কথা-বতৰা, আলোচনা, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আদিত প্ৰয়োগ কৰিব পাৰিব।<br>■ দ্বিতীয় ভাষাৰ পঠন সামগ্ৰী পঢ়িবলৈ সুবিধা পাব।<br>■ যিকোনো কিতাপ, আলোচনী আদি পঢ়ি বুজি নিজৰ ভাল লগা, বেয়া লগা অনুভৱ প্ৰকাশ কৰিব পাৰিব।<br>■ বিভিন্ন প্ৰকাৰৰ ৰচনা পঢ়ি নিজৰ মতামত দিব পাৰিব আৰু কিবা বুজি নাপালে প্ৰশ্ন সুধিব পাৰিব।<br>■ বিশ্বায়নৰ গতিধাৰাৰ সৈতে পৰিচয় হ'ব পাৰিব।<br>■ তথ্যভিত্তিক লিখনৰ কৌশল আয়ত্ত কৰিব পাৰিব।<br>■ নিজৰ পৰিৱেশ, সমসাময়িক সমাজৰ লগত জড়িত হোৱা সমস্যাৰ ওপৰত নিজৰ ধাৰণা বা দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব আৰু সমস্যাৰ সমাধান কৰিব পাৰিব।<br>■ বিভিন্ন ৰচনা সম্ভাৰ, বাতৰি-কাকত, শিশু-আলোচনীত প্ৰকাশিত ৰচনাৰাজি পঢ়ি নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব।<br>■ কিছুমান পাঠ চকুফুৰাই (খৰকৈ) পঢ়ি তাৰ বিশেষ প্ৰয়োজনীয় দিশৰ বিষয়ে ক'ব পাৰিব।<br>■ পঠনৰ যোগেদি ছপা আৰু 'অনলাইন'ৰ বিভিন্ন তথ্য লাভ কৰিব পাৰিব।<br>■ যিকোনো পাঠত থকা বিষয়বস্তুৰ মূল দিশ |




সুবিধা দিব। প্ৰজেক্টৰৰ সহায়ত চিনেমা, প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব।

- ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তি আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশৰ বাবে শ্ৰেণীকক্ষত বিভিন্ন ক্ৰিয়া-কলাপ, যেনে— অভিনয়, চৰিত্ৰাভিনয়, আবৃত্তি, সৃজনীমূলক লিখনি, ফকৰা-যোজনা, প্ৰবচনৰ ব্যৱহাৰ কৰিবলৈ আৰু পাঠৰ আলমত এই ক্ৰিয়া-কলাপ সমূহ কৰিবলৈ সুবিধা দিব।
- বিভিন্ন পৰিস্থিতিৰ ওপৰত বাতৰি লিখা, তাৰ ভিত্তিত পাণ্ডুলিপি লিখা আৰু বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ সুবিধা দিব।
- বিদ্যালয়ৰ বাৰ্ষিক আলোচনী নাইবা শ্ৰেণী অনুসৰি হাতে লিখা আলোচনী, প্ৰাচীৰ পত্ৰিকা আদি প্ৰকাশ কৰিবলৈ অনুপ্ৰাণিত কৰিব।
- পুথিভৰাঁলৰ যোগেদি ইচ্ছা অনুসৰি পুথি নিৰ্বাচন কৰি পঢ়িবলৈ সুবিধা দিব। পুথিভঁৰাল নাথাকিলে শিক্ষকে নিজে সংগ্ৰহ কৰা কিতাপ ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পঢ়িবলৈ দিব। অধ্যয়ন কৰা কিতাপসমূহৰ ওপৰত মৌখিক আৰু লিখিত ৰূপত মতামত দিয়াৰ সুবিধা দিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জনা আৰু বুজাৰ সুযোগ দিব।
- পাঠ্যপুথিত দিয়াৰ দৰে কুইজ, তৰ্ক-প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আদি শ্ৰেণীকক্ষত অনুষ্ঠিত কৰাৰ সুবিধা দিব।
- স্তৰ অনুসৰি অন্য বিষয়, ব্যৱসায়, শিল্প-কলা আদিত (গণিত, সমাজ বিদ্যা, বিজ্ঞান, নৃত্যকলা, চিকিৎসা আদি) প্ৰয়োগ সমূহ চিনাক্ত কৰিবলৈ আৰু সেইবোৰৰ মান নিৰূপণ কৰিবলৈ জানিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিকৰ ৰচনাৱলী পঢ়ি সাহিত্যৰ বিভিন্ন শাখাৰ, যেনে— সাধু-কথা, গল্প, কবিতা, জীৱনী, প্ৰৱন্ধ আদিৰ নিৰ্দিষ্ট বৈশিষ্ট্য আৰু লিখন শৈলীৰ বিষয়ে জানিব পাৰিব।
- সাধু-কথা, কাহিনী আদি পঢ়ি, শুনি সাৰমৰ্ম বুজি পাই নিজৰ ভাষাত প্ৰকাশ কৰিব পাৰিব।
- বিভিন্ন ধৰণৰ পাঠ পঢ়ি পাঠৰ বিষয়বস্তুৰ তথ্য আহৰণ, বিশ্লেষণ আৰু ব্যাখ্যা কৰিব পাৰিব।
- ছন্দ মিলাই কবিতা আবৃত্তি কৰিব পাৰিব।
- বিশেষ ব্যক্তিৰ জীৱনী আদি পঢ়ি বুজি পাব আৰু তেওঁলোকৰ আদৰ্শ নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈ শিকিব।
- বিভিন্ন ৰচনা সম্ভাৰ, বাতৰি-কাকত, শিশু আলোচনীত প্ৰকাশিত ৰচনাৰাজি পঢ়াৰ প্ৰতি আগ্ৰহী হ'ব।
- ছাত্ৰ-ছাত্ৰীসকলে বাতৰি-কাকত, শিশু-আলোচনী, পাঠ্য বৰ্হিভূত বিভিন্ন বিষয়ৰ লিখনি পঢ়ি সেইবোৰৰ পৰা মানৱীয় প্ৰমূল্যবোধ আহৰণ কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ মনত সুপ্ত হৈ থকা সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব। নিজাববীয়াকৈ উদ্ভাৱনীমূলক কাৰ্য কৰিব পাৰিব। গল্প, কবিতা, প্ৰৱন্ধ আদি লিখি বাতৰি-কাকতৰ শিশুচ'ৰা, প্ৰাচীৰ পত্ৰিকা, বিদ্যালয়ৰ আলোচনীত প্ৰকাশ কৰিব পাৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আত্মবিশ্বাস বৃদ্ধি পাব।
- বাতৰি লিখা, পাণ্ডুলিপি লিখা আৰু যিকোনো বিষয়ৰ ওপৰত প্ৰতিবেদন লিখিব পাৰিব, উদাহৰণস্বৰূপে- বিদ্যালয় সপ্তাহৰ কাৰ্য বিৱৰণী আদি প্ৰতিবেদন ৰূপে লিখিব পাৰিব।



হোৱা শব্দবোৰ বুজি পাব, তাৎপৰ্য আৰু অৱস্থাভেদে সেইবোৰ লিখনত ব্যৱহাৰ কৰিবলৈ সুবিধা দিব।

- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে জানিবলৈ আৰু অনুভৱ কৰিবলৈ সুযোগ দিব।
- পাঠ্যপুথিৰ অন্তৰ্গত গল্প, কবিতা, গীত-মাতৰ আলমত ছাত্ৰ-ছাত্ৰীক স্থানীয়ভাৱে পোৱা গীত-মাত, সাধু-কথা সংগ্ৰহ কৰাৰ সুবিধা দিব। এই ক্ষেত্ৰত প্ৰকল্প পদ্ধতিৰ সহায় ল'ব।
- বিভিন্ন বিষয়বস্তু পৰ্যৱেক্ষণ কৰি নিজাববীয়াকৈ ৰচনা লিখাৰ কৌশল আয়ত্ব কৰাৰ সুবিধা দিব।
- নতুনকৈ পোৱা শব্দ জানিবৰ বাবে আৰু তাৰ অৰ্থ বুজিবলৈ উপায় নিৰ্দ্ধাৰণ সম্পৰ্কে উৎসাহ দিব।
- ব্যাকৰণৰ ধাৰণা বেলেগকৈ নিদি পাঠ্যপুথিৰ আলমত দিয়াৰ সুবিধা দিব।
- পাঠ্যপুথিত সন্নিবিষ্ট থলুৱা গীত-মাত সমূহ শুদ্ধ ৰূপত সংৰক্ষণৰ বাবে অভিজ্ঞ ব্যক্তিৰ দ্বাৰা বা কৰ্মশালাৰ জৰিয়তে শিকোৱাৰ ব্যৱস্থা কৰিব।
- বৈদ্যুতিন মাধ্যমৰ ব্যৱহাৰৰ (দূৰদৰ্শন, মোবাইল, হোৱাটচ্‌আপ্‌, ফেচবুক, ইন্টাৰনেট) যোগাত্মক আৰু ঋণাত্মক দিশবোৰৰ বিষয়ে ধাৰণা দিব।
- কৈশোৰ কালৰ বিভিন্ন মানসিক, শাৰীৰিক আৰু আৱেগিক বৈশিষ্ট্যৰ বিষয়ে আৰু এইবোৰৰ পৰা হ'বলগীয়া সমস্যাৰ বিষয়ে থকা লিখনি আদি পঢ়াৰ আৰু আলোচনা কৰাৰ সুযোগ দিব।
- শ্ৰেণী কক্ষৰ বাহিৰেও প্ৰয়োজন সাপেক্ষে বিদ্যালয়ৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিবেদন, বিৱৰণী লিখিব পাৰিব।
- দৈনন্দিন জীৱনত দেখি অহা বিভিন্ন ঘটনা, সমস্যা আদি বৰ্ণনা কৰি লিখনিৰ যোগেদি প্ৰকাশ কৰিব পাৰিব। এই লিখনি সমূহ বিভিন্ন মাধ্যমেৰে যেনে— প্ৰচাৰ পত্ৰ, সম্পাদকলৈ চিঠি, বিজ্ঞাপনৰ যোগেদি প্ৰকাশ কৰিব পাৰিব।
- পুথিভঁৰালত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি উঠিব। লগতে পঠনৰ বিভিন্ন কৌশলৰ বিষয়ে জানিব।
- স্থানীয় গীত-মাত, লোক-সাহিত্য আদিৰ বিষয়ে জানিব, ইয়াৰ জৰিয়তে জাতীয় ঐতিহ্য আৰু কলা-সংস্কৃতি সংৰক্ষণ কৰিব পাৰিব।
- নতুনকৈ পোৱা শব্দ জানিবৰ বাবে আৰু তাৰ অৰ্থ বুজিবলৈ অভিধানৰ ব্যৱহাৰ কৰিব পাৰিব।
- মাতৃভাষাৰ লগতে বহুভাষিক শব্দ জানিব। ফলত মাতৃভাষাৰ উপৰিও অন্যান্য ভাষাৰ শব্দৰ ভাণ্ডাৰ চহকী কৰিব পাৰিব।
- কিছুমান পাঠ পঢ়ি যাওঁতে ধাৰণা সুদৃঢ় কৰিবৰ কাৰণে শিক্ষক আৰু সমনীয়াৰ সহায়ত অভিধান, বিশ্বকোষ আদি সহায়ক পুথিৰ উপৰিও মানচিত্ৰ, ইণ্টাৰনেট আদিৰ সহায় ল'ব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব। ফলত ভৱিষ্যৎ জীৱনত নিজকে প্ৰতিষ্ঠা কৰাত সহায়ক হ'ব।
- বৈদ্যুতিন মাধ্যমৰ সু-প্ৰয়োগ কৰিব।
- কৈশোৰ কালৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানি নিজৰ জীৱনৰ সমস্যা সমাধানত ব্যৱহাৰ কৰিব পাৰিব।
- বাস্তৱ জীৱনৰ লগত সামঞ্জস্য ৰাখি ভাষাত ব্যাকৰণ প্ৰয়োগ কৰিব পাৰিব।




# অষ্টম শ্ৰেণী (অসমীয়া)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগত শিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ পৰস্পৰৰ মাজত আৰু দলগতভাৱে মান্যভাষাত কথোপকথন কৰিবলৈ সুবিধা দিব। লগতে বিভিন্ন বিষয়ে আলোচনা কৰিবলৈ আৰু সেই বিষয়ে বিশ্লেষণ কৰাৰ সুবিধা দিব। বিশেষকৈ পাঠ্যপুথি আৰু পাঠ বৰ্হিভুত বিষয়, কথোপকথনৰ ওপৰত সুযোগ দিব।<br>■ বাস্তৱ জীৱনৰ লগত সংগতি থকা বিষয়বোৰ অনুধাৱন কৰিবলৈ সুবিধা দিব।<br>■ প্ৰয়োগ কৰা ভাষাৰ বিবিধ শাখাৰ ওপৰত একক/ দলীয়ভাৱে চৰ্চা কৰিবলৈ সুবিধা দিব।<br>■ প্ৰথম ভাষা (অসমীয়া) শিকাৰ লগে লগে দ্বিতীয় ভাষাৰ পঠন সামগ্ৰী পঢ়া আৰু লিখাৰ ওপৰত গুৰুত্ব দিব। লগতে সেই বিষয়ে আলোচনা কৰাৰ স্বাধীনতা প্ৰদান কৰিব।<br>■ চৌপাশৰ পৰিৱেশ, সমসাময়িক সমাজৰ লগত জড়িত হোৱা ৰচনাবোৰ পঢ়িবলৈ আৰু আলোচনা কৰিবলৈ সুবিধা দিব। | ■ ছাত্ৰ-ছাত্ৰীয়ে কথোপকথনৰ জৰিয়তে বিভিন্ন বিষয়ৰ আলোচনাত অংশগ্ৰহণ কৰি বিশ্লেষণ কৰিব পাৰিব।<br>■ পাঠ্যপুথিৰ আধাৰত অথবা পাঠ বহিৰ্ভূত বাস্তৱ জীৱনৰ লগত সংগতি থকা অধ্যয়নে মূল্যবোধৰ বিকাশ সাধন কৰিব পাৰিব।<br>■ যিকোনো কিতাপ, আলোচনী, বাতৰি-কাকত পঢ়ি বুজি নিজৰ ভাল লগা, বেয়া লগা অনুভৱ প্ৰকাশ কৰিব পাৰিব।<br>■ সাহিত্যৰ বিভিন্ন শাখাৰ ৰচনা পঢ়ি বুজি নোপোৱা কথাবোৰ প্ৰশ্নৰ যোগেদি সুধিব পাৰিব।<br>■ অসমীয়া ভাষাত প্ৰকাশিত বিভিন্ন পঠন আহিলা যেনে— বাতৰি, কাহিনী, কুইজৰ কিতাপ, ইণ্টাৰনেটত তথ্য, ব্লগত ছপোৱা সঁজুলি আদি পঢ়ি বুজি পাব আৰু পঢ়ি নিজৰ মন্তব্য, সিদ্ধান্ত, সাৰাংশ আদি মৌখিক/ সাংকেতিক/ লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।<br>■ দ্বিতীয় ভাষাৰ পঠন সামগ্ৰী পঢ়ি, বুজি পাব আৰু লিখিব পাৰিব।<br>■ বিভিন্ন স্থানীয় সামাজিক, প্ৰাকৃতিক বিষয়ৰ ওপৰত নিজৰ প্ৰতিক্ৰিয়া সম্পৰ্কে যুক্তিপূৰ্ণ মতবাদ প্ৰকাশ কৰিব পাৰিব।<br>■ বিভিন্ন বিষয়ৰ ওপৰত পৰ্যৱেক্ষণ কৰি নিজে সজাই-পৰাই লিখিব পাৰিব। |



- বিভিন্ন বিষয়বস্তু আৰু সামগ্ৰী পৰ্যৱেক্ষণ কৰি নিজাববীয়াকৈ ৰচনা লিখাৰ সুযোগ দিব।
- ছাত্ৰ-ছাত্ৰীসকলক বিশ্বায়নৰ গতিধাৰাৰ লগত পৰিচয়ৰ সুবিধাৰ বাবে তথ্যভিত্তিক পঠনৰ ওপৰত গুৰুত্ব দিব। শ্ৰেণীকক্ষত বিভিন্ন তথ্যভিত্তিক লেখা, যেনে— বাতৰি-কাকত, আলোচনীৰ প্ৰবন্ধ, ৰে'লৰ সময়সূচী, বিজ্ঞাপন আদি পঠনৰ সুবিধা দিব। তথ্য সংগ্ৰহ কৰি প্ৰতিবেদন লিখাৰ বাবে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।
- মাতৃভাষাৰ লিখন শৈলীৰ বিকাশৰ বাবে বিভিন্ন ধৰণৰ লিখনি, যেনে— গল্প, কবিতা, গীত, ৰসৰচনা, চিঠি-পত্ৰ, শব্দ-খেল আদি ছাত্ৰ-ছাত্ৰীক চিনাকি কৰি দিব। লগতে লিখাৰ ওপৰত গুৰুত্ব দিব।
- ছাত্ৰ-ছাত্ৰীৰ মাজত সক্ৰিয়তা আৰু সজাগতা আনিবৰ বাবে বয়সৰ লগত খাপ খুৱাই বিভিন্ন ৰচনাসম্ভাৰ, বাতৰি-কাকত (শিশু চ'ৰা), শিশু আলোচনী আদি পঢ়াৰ সুবিধা দিয়া। প্ৰজেক্টৰৰ সহায়ত শিশু উপযোগী চিনেমা, দৃশ্য-শ্ৰাব্য সঁজুলিৰ (ৰেডিঅ' আৰু দূৰদৰ্শন) সহায়ত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব। জ্যোতি সংগীত, ৰাভা সংগীত শুনোৱাৰ ব্যৱস্থা কৰিব।
- ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তি আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশৰ বাবে শ্ৰেণীকক্ষত বিভিন্ন ক্ৰিয়া-কলাপ যেনে— অভিনয়,
- বিভিন্ন প্ৰকাৰৰ তথ্যভিত্তিক পাঠ পঢ়িবলৈ শিকিব। ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ পঠনৰ যোগেদি জীৱন কৌশল আয়ত্ত কৰিব পাৰিব।
- মাতৃভাষাৰ লিখন শৈলীৰ বিকাশ হ'ব। বিভিন্ন প্ৰকাৰ লিখনৰ কৌশল শিকি প্ৰয়োগ কৰিব পাৰিব।
- পাঠ্যপুথিৰ উপৰিও অন্যান্য পাঠ বহিৰ্ভূত কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ বাঢ়িব।
- অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ বৃদ্ধি পাব।
- বাতৰি-কাকত, আলোচনী, বিভিন্ন ৰচনা সম্ভাৰ পঢ়ি বিভিন্ন লিখকৰ বিষয়ে জানিব।
- পঠনৰ যোগেদি আনন্দ পোৱাৰ উপৰিও আজৰি সময়ৰ সৎ ব্যৱহাৰ কৰিব পাৰিব।
- দৃশ্য-শ্ৰাব্য সজুঁলিৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ মনত আনন্দৰ ভাব জগাই তুলিব আৰু শিকোৱা বিষয়টো সহজতে আয়ত্ত কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তি আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব। নিজৰ পছন্দ অনুসৰি নাটক, অভিনয়, আবৃত্তি আদিত অংশগ্ৰহণ কৰি কৌশল আয়ত্ত কৰিব পাৰিব।
- সৃজনীমূলক লিখনিৰ বিকাশ হ'ব। ছবি অঁকা, গল্প লিখা, কবিতা লিখা, প্ৰবন্ধ আদি লিখাৰ প্ৰতি আগ্ৰহী হ'ব।
- পাঠত পোৱা যিকোনো অচিনাকি পৰিস্থিতিৰ বিষয়ে কল্পনাৰ সহায়ত



চৰিত্ৰাভিনয়, আবৃত্তি, সৃজনীমূলক লিখনি, ফকৰা-যোজনা, প্ৰবচনৰ ব্যৱহাৰ আদিৰ ব্যৱস্থা কৰিব। পাঠৰ আলমত এই ক্ৰিয়া-কলাপ সমূহ কৰিবলৈ সুবিধা দিব।

- বিভিন্ন পৰিস্থিতিৰ বিষয়ে বাতৰি লিখা, তাৰ বিষয়ে পাণ্ডুলিপি (Script) লিখা আৰু বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী সম্বন্ধীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ সুবিধা দিব।
- বিদ্যালয়ৰ বাৰ্ষিক আলোচনী, প্ৰাচীৰ পত্ৰিকা বা শ্ৰেণী অনুসৰি হাতে লিখা আলোচনী প্ৰকাশ কৰিবলৈ উৎসাহ যোগাব। লগতে আলোচনীত ছাত্ৰ-ছাত্ৰীয়ে নিজে গল্প, কবিতা, প্ৰৱন্ধ আদি লিখা আৰু ছবি অঁকা কাৰ্যত উৎসাহ দিব।
- পুথিভঁৰালৰ যোগেদি ছাত্ৰ-ছাত্ৰীক পুথি নিৰ্বাচনৰ সুবিধা দিব। পুথিভঁৰালৰ সুবিধা নাথাকিলে শিক্ষকে নিজে সংগ্ৰহ কৰা কিতাপ ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পঢ়িবলৈ সুবিধা দিব। অধ্যয়ন কৰা কিতাপসমূহ বিশ্লেষণ কৰাৰ সুবিধা দিব।
- সুবিধা অনুসৰি ছাত্ৰ-ছাত্ৰীক গ্ৰন্থমেলালৈ যাবৰ বাবে উৎসাহ দিব। প্ৰয়োজন হ'লে ক্ষেত্ৰভিত্তিক ভ্ৰমণৰ ব্যৱস্থা কৰিব।
- পাঠ্যপুথিত দিয়াৰ দৰে কুইজ, তৰ্ক, আকস্মিক বক্তৃতা আদি শ্ৰেণীকক্ষত অনুষ্ঠিত কৰাৰ সুবিধা দিব।
- পাঠ্যপুথিৰ অন্তৰ্গত গল্প, কবিতা, গীত-মাতৰ আলমত ছাত্ৰ-ছাত্ৰীক স্থানীয়ভাৱে লিখিত সাংকেতিক ৰূপত প্ৰকাশ কৰিব পাৰিব।
- বিভিন্ন পৰিস্থিতিৰ ওপৰত বাতৰি লিখিব পাৰিব। বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰতিবেদন লিখিব পাৰিব।
- বিভিন্ন প্ৰসংগত আনে কোৱা কথা শুনি নিজা ভংগীৰে প্ৰকাশ কৰিব পাৰিব। উদাহৰণ স্বৰূপে— বিদ্যালয় সপ্তাহৰ কাৰ্য বিৱৰণী শুনি প্ৰতিবেদন প্ৰস্তুত কৰিব পাৰিব।
- বিদ্যালয়ৰ আলোচনী বা অন্যান্য বাতৰি-কাকত, আলোচনী আদিত নিজে লিখা গল্প, কবিতা আদি প্ৰকাশৰ বাবে প্ৰেৰণ কৰিব পাৰিব। আত্মবিশ্বাস বৃদ্ধি হ'ব।
- পুথিভঁৰালৰ ব্যৱহাৰৰ বিষয়ে জানিব। নীৰৱ পঠনৰ বিষয়ে জানিব। কিছুমান পাঠ ওপৰে ওপৰে (খৰকৈ) পঢ়ি তাৰ উপযোগিতা সম্পৰ্কে ক'ব পাৰিব।
- পঢ়ি যাওঁতে পোৱা নতুন শব্দ, সাঁথৰ, উক্তি আদি বুজি কওঁতে, লিখোঁতে ব্যৱহাৰ কৰিব পাৰিব।
- গ্ৰন্থমেলাৰ যোগেদি বিভিন্ন প্ৰকাৰৰ ৰচনাৱলীৰ লগত চিনাকি হ'ব। পঢ়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব।
- কুইজ, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ ল'বলৈ সাহস বাঢ়িব। কথনশৈলীৰ বিকাশ হ'ব।
- স্থানীয় লোক-সাহিত্য, গীত-মাত আদিৰ বিষয়ে জানিব। লাজ-সংকোচ আঁতৰাই



পোৱা গীত-মাত, সাধুকথা সংগ্ৰহ কৰাৰ সুবিধা দিব। এই ক্ষেত্ৰত প্ৰকল্প পদ্ধতিৰ সহায় ল'ব।

- ব্যাকৰণৰ ধাৰণা পাঠ্যপুথিৰ আলমত দিয়াৰ ব্যৱস্থা কৰিব।
- পাঠ্যপুথিত সন্নিৱিষ্ট থলুৱা গীত-মাত সমূহ শুদ্ধ ৰূপত জানিবৰ বাবে অভিজ্ঞ ব্যক্তিৰ দ্বাৰা বা কৰ্মশালাৰ জৰিয়তে শিকোৱাৰ ব্যৱস্থা কৰিব।
- বৈদ্যুতিন মাধ্যমৰ (দূৰদৰ্শন, ম'বাইল, হোৱাটচ্ আপ্, ফেচবুক, ইণ্টাৰনেট আদিৰ) ব্যৱহাৰৰ যোগাত্মক আৰু ঋণাত্মক দিশবোৰৰ বিষয়ে ধাৰণা সুদৃঢ় কৰিবলৈ সুবিধা দিব।
- কৈশোৰ কালৰ বিভিন্ন মানসিক শাৰীৰিক আৰু আৱেগিক বৈশিষ্ট্যৰ বিষয়ে আৰু এইবোৰৰ পৰা হ'বলগীয়া সমস্যা সমাধানৰ বিষয়ে থকা ৰচনা আদি পঢ়াৰ আৰু আলোচনা কৰাৰ সুযোগ দিব।
- প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ বিষয়ে জনাৰ সুযোগ দিব।

গীত-গোৱাৰ অভ্যাস হ'ব।

- ব্যৱহাৰিক ব্যাকৰণৰ বিষয়ে জানিব। সূত্ৰ মুখস্থ নকৰাকৈ ক্ৰিয়া-কলাপৰ ভিত্তিত পাঠৰ আলমত ব্যাকৰণ শিকিব পাৰিব।
- গীত-মাতৰ কৰ্মশালাৰ যোগেদি সকলোৱে মুকলিকৈ গীত-মাত গাবলৈ শিকিব।
- বৈদ্যুতিন মাধ্যমৰ যোগাত্মক দিশবোৰৰ বিষয়ে অৱগত হ'ব। এইবোৰত ক'ত-কেনেকৈ সঠিকভাৱে ব্যৱহাৰ কৰিব লাগে এই বিষয়ে জানিব পাৰিব।
- কৈশোৰ কালত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে জানিব আৰু সমস্যা সমাধানৰ কৰিব পাৰিব।
- প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ বিভিন্ন ব্যৱস্থাৰ (ভূমিকম্প, বানপানী, ভূমিস্খলন, ধুমুহা) বিষয়ে জানি বাস্তৱত প্ৰয়োগ কৰিবলৈ শিকিব।
- কিছুমান পাঠ পঢ়ি যাওঁতে খোকোজা লাগিলে প্ৰয়োজন বিশেষে শিক্ষক আৰু সমনীয়াৰ সহায়ত, অভিধান, বিশ্বকোষ আদি পঢ়ি আৰু মানচিত্ৰ, ইণ্টাৰনেট বা আন পুথিৰ সহায় ল'ব পাৰিব।
- দৈনন্দিন জীৱনৰ বিভিন্ন ঘটনা, সমস্যা বৰ্ণনা কৰি লিখনিৰ যোগেদি প্ৰকাশ কৰিব পাৰিব। এই লিখনি সমূহ সামাজিক মাধ্যমৰ যোগেদি প্ৰচাৰ কৰিব পাৰিব (যেনে— প্ৰচাৰ পত্ৰ, সম্পাদকলৈ চিঠি, টুইটাৰৰ মাধ্যমেদি ইত্যাদি)।

